# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

—————————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত গৃহৰক্ষী আৰু নাগৰিক সুৰক্ষা শক্তিশালীকৰণৰ উদ্দেশ্যে এখন বৈঠকত অংশ লয়। ৰাজ্য চৰকাৰে এই বৈঠকৰ জৰিয়তে লাচিত বৰফুকন আৰক্ষী একাডেমীত ৫ হাজাৰ নতুন নিযুক্তক প্ৰশিক্ষণ প্ৰদান কৰি গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, অশোক সিংহলকে ধৰি অন্যান্য বিষয়াসকলৰ উপস্থিতিত লোকসেৱা ভৱনত আন এখন বৈঠকত অংশ লয়। এই বৈঠকত শিক্ষা বিভাগ সম্বন্ধীয় বিষয় পৰ্যালোচনা কৰা হয়। বৈঠকত ২০২৫-২৬ বৰ্ষৰ নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰাৰ লগতে মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তিৰ ফলাফল সন্দৰ্ভত আলোচনা কৰা হয়। চাহ বাগিচা, আদৰ্শ বিদ্যালয়সমূহৰ উদ্বোধনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক লৈ বৈঠকত পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ২০২৫-২৬ বৰ্ষৰ নিযুত মইনা আঁচনিখন চলিত মাহতে গুৱাহাটীত এটি কেন্দ্ৰীয় অনুষ্ঠানৰ জৰিয়তে শুভাৰম্ভ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকতে মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তিৰ ফলাফল অক্টোবৰ মাহতে ঘোষণা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ড০ বাণীকান্ত কাকতি মেধা বঁটা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত মেধাবী ছাত্ৰীসকলক স্কুটাৰ আৰু চাইকেল অহা ডিচেম্বৰ মাহত প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

ooooo

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি মৰিগাঁও দিৱসৰ দ্বিতীয় দিনা চাৰণ বিলৰ পাৰত পতাকা উত্তোলন কৰে। জিলা প্ৰশাসনৰ উদ্যোগত চাৰণ বিলৰ পাৰত নিৰ্মাণ হ'বলগীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ২৫ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তিৰ ভূমিপূজন কাৰ্যসূচীতো তেওঁ অংশ লয়। জিলা দিৱস কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি তেওঁ জুবিন গাৰ্গৰ স্মৃতিত ৫০০ জোপা নাহৰ গছ ৰোপণ অভিযানৰো শুভাৰম্ভ কৰে। ঐতিহ্য সংস্কৃতি আৰু সৌন্দৰ্যৰে সমৃদ্ধ মৰিগাঁও জিলাখনক সকলো দিশতে আগুৱাই লৈ যাবলৈ তেওঁ প্ৰতিজন লোককে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনায়।

**বাইট (পীযূষ হাজৰিকা)**

ooooo

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টি আজি ৰাজ্যৰ ছগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে বৈঠকত মিলিত হৈছে। এছ আই টিয়ে ১৩ গৰাকী ব্যক্তিক আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও ৭ গৰাকী ব্যক্তিয়ে আমন্ত্ৰণ অস্বীকাৰ কৰি বৈঠকত উপস্থিত থাকিব নোৱাৰে বুলি স্পষ্ট কৰি দিয়ে। সদৌ অসম ছাত্ৰসন্থাইও এই আলোচনাত অংশ নলয় বুলি ঘোষণা কৰে। জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত আজি সংগঠনটোৱে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই জনতাৰ শিল্পীগৰাকীৰ মৃত্যু ঘটনাৰ তদন্ত পানী নসৰকা হ'ব লাগিব বুলি দাবী তোলে। সংগঠনটোৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই

এছ্‌ আই টিয়ে আজি আলোচনাৰ বাবে জনোৱা আমন্ত্ৰণ গ্ৰহণ নকৰা সন্দৰ্ভত কয়, যে তদন্তকাৰী সংস্থাই গোচৰ সংক্ৰান্তত আলোচনাৰ বাবে মাতিলে অভিযুক্ত পক্ষৰ অধিবক্তাই আদালতত আইনী সুযোগ উলিয়াব পাৰে। এই অনুসৰি আইনজ্ঞৰ পৰামৰ্শমৰ্মে আলোচনাত অংশগ্ৰহণ নকৰা বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী অসমীয়াসকলৰ ৭ গৰাকীয়ে এই পৰ্যন্ত অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলৰ আগত ভাষ্য দিছে। আজি অভিমন্যু তালুকদাৰ আৰু তন্ময় ফুকন নামৰ ব্যক্তি দুগৰাকী উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হৈ ভাষ্য প্ৰদান কৰে। আৰক্ষী বিষয়াই দুয়োকে বহু সময় ধৰি সোধা-পোছা কৰে। ইয়াৰ আগেয়ে কালি চাৰিগৰাকী প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জিঅ'লাংছাত নাৰ্জাৰী নামৰ লোক তিনিজনক এছ্‌ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। বিয়লি প্ৰবাসী অসমীয়া ভাস্কৰজ্যোতি দত্তই এছ্‌ আই টিৰ কাৰ্যালয়ত উপস্থিত হৈ ভাষ্য দিয়ে। ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতাই এছ্‌ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। ছিংগাপুৰ আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত তদন্ত চলাই আছে আৰু তেওঁলোকে বিচৰা তথ্য অসম আৰক্ষীয়ে যোগান ধৰিছে বুলি এছ্‌ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰে। ইপিনে, নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনছিক গৱেষণাগাৰে প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনে তদন্তক নতুন গতি দিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

ছিংগাপুৰৰ ঘটনাস্থলীৰ জুবিন গাৰ্গৰ অন্তিম সময়ৰ সম্পূৰ্ণ ভিডিঅ' এছ্‌ আই টিয়ে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। জুবিন গাৰ্গৰ সহগায়িকা তথা অভিযুক্ত কাৰাবন্দী অমৃত প্ৰভা মহন্তই নিজৰ মোবাইলত আবদ্ধ কৰা এই ভিডিঅ' মচি পেলোৱাৰ পাছত অসম আৰক্ষীৰ তথ্য প্ৰযুক্তি বিশেষজ্ঞই এই ভিডিঅ'সমূহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়।

ooooo

সমাপ্ত